# ৰ'দ আৰু মৃত্যুৰ কবিতা


**জুবিন গাৰ্গ**
**প্ৰণৱ কুমাৰ বৰ্মন**


**জুবিন গাৰ্গ** এখন উদাসী আকাশে ক'লে
অলপ জিৰাই ল
ৰ'দ ল মোৰ
মোৰ ছায়াত তই ৰ'দ পাবি
মন পাবি
আৰু পাবি মোৰ দুখ
মোৰ অন্তহীন হেঁপাহত তই নেচাৰ মোলৈ

**প্ৰণৱ কুমাৰ বৰ্মন** তোৰ ৰ'দঘাই মাতত সাৰ পাওক
ৰাতিৰ নক্ষত্ৰ
ক'ত উৰে জাগি থকা তৰাৰ চিঞৰ
মোক এপিয়লা জীয়াই থাকিবলে' দে
নিচা লাগিবলে' দে এপলক জীৱনৰ
মৃত্যুৰ ছায়াত মোক জিৰাবলে' নিদিবি
অ' উদাসী আকাশ
সামৰি থ মোৰ দুখ

**জুবিন গাৰ্গ** দুখৰ শেষ ক'ত
ক'ত বিচাৰিবি শেষ
মোক শেষ কৰ
মই ৰ'দত মৰিম

**প্ৰণৱ কুমাৰ বৰ্মন** নিজানত মোৰ মৰিবলৈ মন নাই
মোৰ মৰিবলৈ মন নাই সেমেকা সন্ধিয়াৰ কেঁকুৰিত
তোমাৰ ৰ'দালি প্ৰেমেৰে মোক আৱৰি ৰাখা
মই আকৌ জী উঠিব খোজোঁ
তোমাৰ ভালপোৱাৰ ঘাঁহনিত এটোপাল নিয়ৰৰ দৰে
উদাস আকাশৰ পৰা ৰাতি সৰে

**জুবিন গাৰ্গ** ৰাতি মোৰ দিন
দিন মোৰ ৰাতি

**প্ৰণৱ কুমাৰ বৰ্মন** সকলো ৰাতি এখন আন্ধাৰৰ নৈ
বৈ যায় সপোন দাঁতিয়েদি
সকলো দিন পোহৰৰ এজোপা গছ
মোক আপডাল কৰে
ৰ'দৰ প্ৰথম অধিকাৰ মোৰ
ৰ'দৰ স্বাধীনতাও মোৰ

**জুবিন গাৰ্গ** মোক ৰ'দ দিয়া
এথোপা চুমা দিয়া
আমৰণ মৰণ দিয়া

০৬-০৫-২০১৫
চেপন মহাবিদ্যালয়